# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 03-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::::**

সাম্প্ৰতিক বানত ৰাজ্যৰ ২১ খন জিলাৰ ৫ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৬৫ টা আশ্ৰয় শিবিৰত ৩১ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ১৫৭ টা সাহায্য সামগ্ৰী বিতৰণ কেন্দ্ৰত ক্ষতিগ্ৰস্ত লোকসকলৰ মাজত প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰা হৈছে। ৰাজ্যখনত সাম্প্ৰতিক বানত ১৩ জন লোকে প্ৰাণ হেৰুৱাইছে। যোৱা ২৪ ঘণ্টাত হোজাই জিলাত এজন লোকৰ মৃত্যু হয় আৰু ডিব্ৰুগড় আৰু হাইলাকান্দিত দুজন লোক সন্ধানহীন হয়। এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে। নগৰাঞ্চলত হোৱা বানৰ ফলত কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ১৫ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত ৪৬৪ জন লোকে আশ্ৰয় লৈ আছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি বান পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে কাচাৰ জিলাত উপস্থিত হৈ ছটা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে। তেওঁ লগতে বানপীড়িতসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ কয় যে বৰাক নদী যদিও বিপদসীমাৰ ওপৰেৰে বৈ আছে এতিয়ালৈকে কোনো ঠাইতে মথাউৰি চিগা নাই। পৰিস্থিতিৰ ওপৰত জিলা প্ৰশাসনে সতৰ্ক দৃষ্টি ৰাখিব বুলি তেওঁ মন্তব্য কৰে। ডঃ শৰ্মাই কয় যে চহৰ, নগৰ আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ জলাশয়সমূহৰ সংৰক্ষণ কৰি নগৰীয়া বান বহু পৰিমাণে দূৰ কৰিব পৰা যায়। শিলচৰ আৰু ইয়াৰ আশে পাশে থকা মালিনী বিল, মহিশা বিল, ৰংগিৰ খাল বিল আৰু ছিংগাৰ খালে প্ৰাকৃতিক জলাশয় হিচাপে পানী সংৰক্ষণৰ দিশত অন্যতম ঠাই হিচাপে পৰিগণিত হৈ আহিছে বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে বৰাক নৈৰ সমীপত থকা তাৰাপুৰ শিৱবাৰী পথটোৰ বানত ডুব যোৱা অংশ পৰিদৰ্শন কৰে আৰু এই অংশটো ততালিকে মেৰামতিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে।

০০০০

কামৰূপ আৰু কামৰূপ মেট্ৰ' জিলাত আজি নিশা ৮ বাজি ২৫ মিনিটত ৰিখতাৰ স্কেলত ৪ দশমিক ১ প্ৰাবল্যৰ ভূমিকম্পৰ মৃদু জোকাৰণি অনুভূত হয়। এই ভূমিকম্পৰ অভিকেন্দ্ৰ গুৱাহাটীত বুলি জানিব পৰা গৈছে।

০০০০

ৰাজ্যৰ পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি গুৱাহাটী ৰে'ল ষ্টেছনত ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগৰ পৰ্যটন তথ্যকেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে কয় যে ৰে'লযোগে অসম ভ্ৰমণলৈ অহা বাহিৰৰ পৰ্যটকসকলক এই কেন্দ্ৰই সময় সাপেক্ষ তথ্য প্ৰদান কৰিব। ৰাজ্যখনৰ পৰ্যটন ক্ষেত্ৰৰ উত্তৰণত

এই পদক্ষেপে বিশেষ অৰিহণা যোগাব বুলিও তেওঁ আশা প্ৰকাশ কৰে। তেঁও লগতে কেন্দ্ৰটোত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলক নিয়মীয়া আৰু উৎসৰ্গিত সেৱা আগবঢ়াবলৈ আহ্বান জনায়। অনুষ্ঠানত  অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ৰিতুপৰ্ণ বৰুৱা, উপাধ্যক্ষ দিলিপ দাস, পৰ্যটন বিভাগৰ আয়ুক্ত প্ৰভাতি থাউচেন, সঞ্চালক ৰণোজ কুমাৰ বৰকটকী উপস্থিত থাকে।

০০০০

বৰপেটা জিলাৰ সমীপৰ হালধীয়া পাথাৰ অঞ্চলত আজি দুপৰীয়া সংঘটিত এটা বাছ দুৰ্ঘটনাত কেইবাজনো লোক আহত হয়। আহতসকলক স্থানীয় ৰাইজে উদ্ধাৰ কৰি কলগাছিয়াস্থিত জিলা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। কলগাছিয়া আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি বৰপেটা ৰোডৰ পৰা কলগাছিয়া অভিমুখী এখন বাছ এটা খাৱৈত বাগৰি পৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়।

০০০০

স্পেইনৰ মাৰ্বেলা ফুটবল ক্লাবত অসমৰ ১৯ বছৰ অনূৰ্ধ  ১৭ গৰাকী ফুটবল খেলুৱৈয়ে প্ৰশিক্ষণ গ্ৰহণৰ সুবিধা লাভ কৰিছে। ৰাজ্যৰ বছা বছা ৭২ গৰাকী ফুটবল খেলুৱৈৰ ভিতৰত গুৱাহাটী স্পৰ্টছ এছ'চিয়েচনে এই প্ৰশিক্ষণৰ বাবে ৰাজ্যৰ ১৭ গৰাকী খেলুৱৈক নিৰ্বাচিত কৰিছে। গোপীনাথ বৰদলৈ ট্ৰফী প্ৰতিযোগিতাত ভাল খেল প্ৰদৰ্শন কৰাৰ বাবে নিৰ্বাচিত হোৱা এই ১৭ গৰাকী খেলুৱৈৰ মাজত বিশ্বনাথৰ সৌৰভ কুমাৰ দে'ও নিৰ্বাচিত হৈছে। এই প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ দলটো অহা জুলাই মাহৰ শেষৰফালে গুৱাহাটীৰ পৰা স্পেইনলৈ ৰাওনা হ'ব।

০০০০

জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত গুৱাহাটীত আজি **ধৰতী আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযান** সম্পৰ্কত এখন আঞ্চলিক কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ শীৰ্ষ বিষয়াসকলে এই খণ্ডত জনজাতীয় লোকসকলৰ সৰ্বাংগীণ উন্নয়নৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ত আলোচনা কৰে।  ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কৰ্মশালা উদ্বোধন কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে- পাঞ্জাব কিংছক জয়ৰ বাবে ১৯১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত বাংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেটৰ  বিনিময়ত ১৯০ ৰাণ সংগ্ৰহ কৰে।

০০০০

সমাপ্ত